# 63/1 (SEM–3) CC6/ASMHC3066

## 2023

## ASSAMESE

Paper : ASMHC3066

**( Study on Assamese Drama )**

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। তলত দিয়াসমূহৰ শুদ্ধ উত্তৰটো বাছি উলিওৱা (যি কোনো ছয়টা) : ১×৬=৬

(ক) অংকীয়া নাটৰ জনক কোন?

*(i)* দামোদৰদেৱ

*(ii)* মাধৱদেৱ

*(iii)* শংকৰদেৱ

*(iv)* মাধৱ কন্দলি

(খ) 'ৰাম নৱমী' নাটকখন কিমান চনত প্ৰকাশ হয়?

*(i)* ১৮৫৭

*(ii)* ১৯৫৭

*(iii)* ১৮৪৬

*(iv)* ১৯০৪

(গ) 'অংকমালা' পুথিখন কোনে সম্পাদনা কৰা?

*(i)* কালিৰাম মেধি

*(ii)* ৰাম গোস্বামী

*(iii)* কেশৱানন্দদেৱ গোস্বামী

*(iv)* শৈলেন ভৰালী

(ঘ) 'কংসবধ' নাটখন কোন যুগৰ?

*(i)* শংকৰোত্তৰ যুগ

*(ii)* শংকৰী যুগ

*(iii)* প্ৰাক্-শংকৰী যুগ

*(iv)* জোনাকী যুগ





(ঙ) 'নিবাৰণ ভট্টাচাৰ্য্য' নাটকখন কোন শ্ৰেণীৰ?

*(i)* কাল্পনিক

*(ii)* এবচাৰ্ড

*(iii)* পৌৰাণিক

*(iv)* সামাজিক

(চ) জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰথম নাটকখনৰ নাম কি?

*(i)* ৰূপালীম

*(ii)* লভিতা

*(iii)* শোণিত কুঁৱৰী

*(iv)* কাৰেঙৰ লিগিৰী

(ছ) ৰুক্মিণীয়ে কাৰ হতুৱাই কৃষ্ণলৈ পত্ৰ প্ৰেৰণ কৰিছিল?

*(i)* লীলাৱতী

*(ii)* পদ্মাৱতী

*(iii)* বেদনিধি

*(iv)* জৰাসন্ধ

(জ) ৰূপালীমৰ প্ৰেমিকজনৰ নাম কি?

*(i)* মায়াব'

*(ii)* জুনাফা

*(iii)* ভীষ্মক

*(iv)* ৰুক্মবীৰ

(ঝ) ভীষ্মক ৰজাৰ নগৰখনৰ নাম কি আছিল?

*(i)* বিদৰ্ভ

*(ii)* শোণিতপুৰ

*(iii)* কুণ্ডিল

*(iv)* দ্বাৰকা

(ঞ) 'কংসবধ' নাটৰ প্ৰধান ৰস কোনবিধ?

*(i)* বীৰ ৰস

*(ii)* হাস্য ৰস

*(iii)* করুণ ৰস

*(iv)* ভক্তি ৰস





২। তলৰ প্ৰশ্নসমূহৰ চমু উত্তৰ লিখা (যি কোনো পাঁচটা) : ২×৫=১০

(ক) "বাপে উপজাইল মাত্ৰ, তুহু প্ৰাণদান দেৱল : তোহ্যক গুণ সুজয়ে নাহি পাৰোঁঃ"
উক্ত কথাষাৰ কোনে, কাক কৈছিল?

(খ) শংকৰোত্তৰ যুগৰ দুখন নাটৰ নাম লিখা।

(গ) মণিমুগ্ধ কোন দেশৰ ৰজা? তেওঁৰ বাগ্‌দত্তাগৰাকীৰ নাম কি?

(ঘ) 'কথাকলি' আৰু 'ললিতা' ভাৰতৰ কোন কোন ৰাজ্যৰ লোকনাট্য অনুষ্ঠান?

(ঙ) 'নিবাৰণ ভট্টাচাৰ্য্য' নাটকৰ প্ৰধান নাৰী চৰিত্ৰটি কি? নিবাৰণ ভট্টাচাৰ্য্যৰ লগত এই চৰিত্ৰটোৰ সম্বন্ধ কি?

(চ) "তেনে স্বামী মই নবৰোঁ। মোক বিয়া কৰাবলৈ ওলাই মোৰ জাতিৰ এজনী সামান্য দৰিদ্ৰ ছোৱালীৰ সোণ যেন গাৰ বৰণ দেখিয়েই যি এনে নীচ আচৰণ কৰিবলৈকো সংকোচ নকৰিলে...।" উক্ত কথাষাৰ কোনে, কাক কৈছিল?

(ছ) ৰুক্মিণীৰ সখীয়েক দুগৰাকীৰ নাম লিখা।

৩। তলৰ যি কোনো ছয়টা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৬=৩০

(ক) 'ৰুক্মিণী হৰণ' নাটত 'বেদনিধি' চৰিত্ৰৰ ভূমিকা সম্পৰ্কে লিখা।

(খ) অংকীয়া নাটত 'ব্ৰজাৱলী ভাষাৰ প্ৰয়োগ' সম্পৰ্কে লিখা।

(গ) 'ৰুক্মিণী হৰণ' নাটৰ ৰুক্মিণী চৰিত্ৰটি বিশ্লেষণ কৰা।

(ঘ) নাটকৰ উপাদানসমূহ উল্লেখ কৰি যি কোনো এটা উপাদানৰ বিষয়ে লিখা।

(ঙ) 'ৰূপালীম' নাটৰ সংলাপ সম্পৰ্কত এটি সমীক্ষা আগবঢ়োৱা।

(চ) 'অসমীয়া কাল্পনিক নাটক' শীৰ্ষক এটি প্ৰবন্ধ যুগুত কৰা।

(ছ) 'নিবাৰণ ভট্টাচাৰ্য্য' নাটকৰ মঞ্চসজ্জা সম্পৰ্কে এটি চমু আলোচনা আগবঢ়োৱা।

(জ) 'ৰূপালীম' নাটকৰ ইতিভেন চৰিত্ৰটি বিশ্লেষণ কৰা।

(ঝ) কংসই কৃষ্ণক কিয় আৰু কেনেদৰে বধ কৰিবলৈ বিচাৰিছিল, আলোচনা কৰা।

(ঞ) শংকৰোত্তৰ যুগৰ নাটৰ বৈশিষ্ট্য সম্পৰ্কে আলোচনা কৰা।

৪। তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×২=২০

(ক) আধুনিক অসমীয়া নাটকৰ এটি তথ্য-সমৃদ্ধ আলোচনা প্ৰস্তুত কৰা।

(খ) শ্ৰী ৰাম আতাৰ 'কংসবধ' নাটত অংকীয়া নাটৰ বৈশিষ্ট্যবোৰ কেনেদৰে প্ৰতিফলিত হৈছে, আলোচনা কৰা।





(গ) শংকৰদেৱৰ 'ৰুক্মিণী হৰণ' নাটৰ ৰস সম্পৰ্কে এটি আলোচনা যুগুত কৰা।

(ঘ) 'অংকীয়া নাট্য সাহিত্য' সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

৫। তলৰ যি কোনো এটা প্ৰশ্নৰ উত্তৰ লিখা : ১৪

(ক) "ইয়াত আদৰ্শ চৰিত্ৰ দাঙি ধৰাতকৈ চৰিত্ৰৰ বিচিত্ৰতাহে দেখুৱাবলৈ প্ৰয়াস কৰা হৈছে..." 'ৰূপালীম' নাটকৰ আধাৰত ৰূপালীম আৰু ইতিভেনৰ চৰিত্ৰ দুটা বিশ্লেষণ কৰা।

(খ) 'ৰুক্মিণী হৰণ' নাটত অসমীয়া সমাজৰ প্ৰতিচ্ছবি কিদৰে প্ৰতিফলিত হৈছে, বহলাই আলোচনা কৰা।

(গ) উদ্ভট নাটক কি? উদ্ভট নাটকৰ বৈশিষ্ট্যবোৰ উল্লেখ কৰি 'নিবাৰণ ভট্টাচাৰ্য্য' নাটকত এই বৈশিষ্ট্যবোৰ কেনেদৰে ফুটি উঠিছে, পৰ্যালোচনা কৰা।

★★★